অসম চৰকাৰ

উপায়ুক্তৰ কাৰ্য্যালিয় :: দৰং :: মঙ্গলদৈ

**মীন শাখা**

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা যায় যে, যোৱা ২৬/১১/২০১৯ তাৰিখৰ নিবিদা জাননীখন বাতিল কৰি দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ২০ নং পুখুৰীয়া মীন মহল খন বন্দৰস্তীৰ বাবে ইং ০২/০৩/২০২০ তাৰিখৰ পৰা ইং ১৬/০৩/২০২০ তাৰিখলৈ দিনৰ ১১.০০ বজাৰপৰা দিনৰ ৩.০০ বজালৈ নিবিদা পুনৰ গ্ৰহন কৰা হব বুলি জাননী জাৰি কৰা হল। ইং ১৭/০৩/২০২০ তাৰিখে দিনৰ ১২.০০ বজাত নিবিদাকাৰীৰ সন্মুখত নিবিদাসমূহ খোলা হব । সেয়ে মীন মহল খন বন্দৰস্তীৰ বাবে ৮ .২৫ টকাৰ আদালতৰ মোহৰ যুক্ত নিবিদা আহ্বান কৰা হল ।

**তলত উল্লেখ কৰা স্বৰ্ত্ত সাপেক্ষে মীন মহলখন বন্দৰস্তী দিয়া হব ।**

(১) অসম মীন (সংশোধিত) নিয়মাৱলী, ২০০৫ ৰ নিয়ম ১২ অনুসৰি ১০০ শতাংশ অনুসূচীত জাতি/ মাইমল সম্প্ৰদায় (কাছাৰ জিলাৰ)/অনুসূচীত জনজাতি/অন্যান্য পিছপৰা জাতি অথবা প্ৰকৃত মাছমৰীয়া লোকেৰে গঠিত মীন সমবায় সমিতি, অনুসূচীত জাতিৰ বৃত্তিত মাছমৰীয়া লোক, আত্ম সহায়ক গোট, এন,জি,অ, আৰু মীন পালকে নিবিদা দিব পাৰিব ।

(২) নিবিদাকাৰী সংশ্লিষ্ট জিলাৰ আৰু মীন মহল খনৰ ওচৰ চুবুৰীয়া হব লাগিব ।

(৩) নিবিদা, জিলা উপায়ুক্তৰ কাৰ্য্যালিয়ত নিৰ্দ্দিষ্ট স্থান আৰু তাৰিখত গ্ৰহণ কৰা হব ।

(৪) ইচ্ছুক নিবিদাকাৰীয়ে কাৰ্য্যালিয় খোলা থকা সময়ত নিৰ্দ্ধাৰিত সময়সূচী মতে নিৰ্দ্ধাৰিত নিবিদা বাকচত নিবিদা জমা দিব পাৰিব। নিৰ্দ্ধাৰিত সময়ৰ পিছত কোনো নিবিদা গ্ৰহন কৰা নহব ।

**তলত উল্লেখ কৰা প্ৰমান পত্ৰ সমূহ সংলগ্ন কৰি নিবিদা দাখিল দিব লাগিব ।**

ক) মাছ মৰাৰ অভিজ্ঞতাৰ প্ৰমান পত্ৰ ।

খ) জিলা উপায়ুক্তৰ পৰা বাকীজাই মুক্ত প্ৰমান পত্ৰ ।

গ) অনুসূচীত জাতি/ মাইমল সম্প্ৰদায় বৰাক উপত্যকাৰ (সংশ্লিষ্ট বিভাগৰ পৰা প্ৰত্যায়িত প্ৰমাণ পত্ৰৰ প্ৰতিলিপি)/অনুসূচীত জনজাতি/অন্যান্য পিছপৰা জাতি / সমবায় সমিতি / বৃত্তিত মাছমৰীয়া / এন,জি,অ / আত্মসহায়ক গোট/ মীন পালক হোৱাৰ প্ৰমান পত্ৰ ।

ঘ) ১০.০০ (দহ) টকাৰ ভাৰতীয় পোষ্টেল অৰ্ডাৰ / বেঙ্কাৰ চেক / বেঙ্ক ড্ৰাফট ।

ঙ) নিবিদাকাৰীয়ে আগবঢ়োৱা ১ম বছৰৰ ৰাজহৰ ১৫ শতাংশ ৰাজহ কল ডিপজিত যোগে যদি জমা দিয়া হৈছে, তাৰ নং, তাৰিখ, টকাৰ পৰিমান আৰু বেঙ্কৰ নাম ।

চ) মীন সমবায় সমিতিৰ পঞ্জীয়ন প্ৰমান পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি ।

ছ) আয়কৰ মুক্ত প্ৰমান পত্ৰ ।

জ) স্থাবৰ-অস্থাবৰ সম্পত্তিৰ আনুমানিক মূল্য ।

ঝ) মীন সমবায় সমিতি হকে নিবিদা দিয়াৰ কৰ্ত্তৃত প্ৰাপ্ত ব্যক্তিৰ প্ৰত্যায়িত ফটোকপি গাঠি দিব লাগিব ।

ঞ) মীন সমবায় সমিতিৰ বছৰেকীয়া হিচাব পৰীক্ষাৰ নথি - পত্ৰ আৰু লাভ - লোকচানৰ হিচাবৰ প্ৰতিলিপি ।

ট) নিবিদাকাৰীয়ে বন্ধখামৰ ওপৰত অনুজ্ঞা পত্ৰ পাব বিচৰা মীন মহলৰ নাম উল্লেখ কৰিব আৰু নিৰ্দ্ধাৰিত বাকচত নিবিদা জমা দিব লাগিব ।

ঠ) গৃহীত নিবিদাকাৰীয়ে নিৰ্দ্ধাৰিত বাৰ্ষিক ৰাজহৰ ওপৰত পিচৰ বছৰ কেইটাত প্ৰতি বছৰে চৰকাৰৰ নীতি নিৰ্দ্দেশনা অনুসৰি অতিৰিক্ত মীন ৰাজহ আদায় দিব লাগিব ।

Scanned with CamScanner

ড) যি কোনো কাৰণত নিবিদা বাতিল কৰাৰ পূৰ্ণ অধিকাৰ নিম্ন স্বাক্ষৰকাৰীৰ থাকিব আৰু ইয়াৰ বাবে কোনো কাৰণ দৰ্শোৱাৰ বাধ্য নাথাকিব ।

ঢ) পূৰ্বৰ নিবিদাসমূহ এই জাননীযোগে বাতিল কৰি নিবিদাকাৰী সকলক পুনৰ নিবিদা জমা দিবলৈ আহ্বান জনোৱা হল ।

---

| বন্দৰস্তী দিব লগীয়া মীন মহলৰ নাম | কোন পৰ্য্যায়ৰ অন্তৰ্গত | চৰকাৰী ৰাজহ | কোন তাৰিখৰ পৰা বন্দৰস্তী হব |
|---|---|---|---|
| ২০ নং পুখুৰীয়া মীন মহল | ৪০% | ৮০,৯৭৫/-টকা | যি তাৰিখত চৰকাৰে বন্দৰস্তী দিয়ে । |

স্বা:
উপায়ুক্ত,
দৰং, মঙ্গলদৈ

স্মাৰক নং .ডি আৰ এফ-১৮/৮৮-৮৯/পিটি-১/১৩৪- (ক) তাৰিখ -২৯/০২/২০২০

প্ৰতিলিপি জ্ঞাতাৰ্থে ও কাৰ্য্যকৰণাৰ্থে প্ৰেৰণ কৰা হল: -

১) মূখ্য কাৰ্য্যবাহী বিষয়া, দৰং জিলা পৰিষদ, মঙ্গলদৈ ।
২) চক্ৰ বিষয়া, ছিপাঝাৰ ৰাজহ চক্ৰ ।এই জাননীখন মীন মহলৰ পাৰবাসী ৰাইজৰ মাজত বহুল প্ৰচাৰৰ ব্যৱস্থা কৰিবলৈ তেখেতক অনুৰোধ জনোৱা হল ।
৩) জিলা মীন উন্নয়ন বিষয়া, দৰং, মঙ্গলদৈ । বহল প্ৰচাৰৰ বাবে ।
৪) সমবায় সমিতি সমূহৰ সহকাৰী পঞ্জীয়ক / উপ - পঞ্জীয়ক, মঙ্গলদৈ ।বহল প্ৰচাৰৰ ৱাবে ।
৫) খণ্ড উন্নয়ন বিষয়া, ছিপাঝাৰ উন্নয়ন খণ্ড । বহল প্ৰচাৰৰ বাবে ।
৬) জিলা তথ্য-প্ৰযুক্তি বিষয়া, ৰাষ্ট্ৰীয় তথ্য-প্ৰযুক্তি বিজ্ঞান কেন্দ্ৰ, দৰং মঙ্গলদৈ বহুল প্ৰচাৰৰ বাবে ।
৭) জিলা তথ্য ও জন সম্পৰ্ক ৰক্ষী বিষয়া, দৰং মঙ্গলদৈ, বাতৰি কাকত ও অন্যান্য মাধ্যমৰ জৰিয়তে বহুল প্ৰচাৰৰ বাবে ।
৮) উপায়ুক্তৰ কাৰ্য্যালয়ৰ জাননী ফলক ।

অতিৰিক্ত উপায়ুক্ত
দৰং :: মঙ্গলদৈ
২৯/02/2020

Scanned with CamScanner